# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ১৬৫/২০২০

## শিলচৰত বিভিন্ন ধৰ্মৰ ধৰ্মগুৰুসকলৰ সৈতে মুখ্যমন্ত্ৰীৰ মত-বিনিময়
## সকলোকে মাৰ বান্ধি ক'ভিড-১৯ ক পৰাভূত কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ৮ এপ্ৰিলঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি কাছাৰ জিলাৰ উপায়ুক্ত কাৰ্যালয় প্ৰাঙ্গণত বিভিন্ন ধৰ্মৰ ধৰ্মগুৰু সকলৰ লগত এক বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ বিশ্ব মানৱ সমাজৰ বাবে ভাবুকি স্বৰূপ হৈ পৰিছে। এই ভাইৰাছে জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে, ৰজা-প্ৰজা সকলোকে আক্ৰান্ত কৰিছে। আজি বিশ্বৰ মানৱ সমাজে ইয়াক প্ৰতিহত কৰাৰ বাবে আগবাঢ়ি আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে সামাজিক দূৰত্ব বজাই ৰখাটোৱে হ'ল এই ৰোগ প্ৰতিৰোধৰ এক মাত্ৰ অস্ত্ৰ। আমি যদি সামাজিক দূৰত্ব বজাই ৰাখিব পাৰো তেতিয়া হ'লে আমি প্ৰতিগৰাকী ব্যক্তিয়ে এই ভাইৰাছ সংক্ৰমণৰ পৰা ৰক্ষা পৰিব পাৰিম বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতবৰ্ষৰ ১৩০ কোটি জনগণক ২১ দিনীয়া লক ডাউন কাৰ্যসূচীৰ সময়ত সামাজিক দূৰত্ব বজাই ৰাখি নিজকে ঘৰৰ ভিতৰত আবদ্ধ ৰাখি পৰিস্কাৰকৈ থাকিবলৈ আহ্বান জনাইছিল। এই লক ডাউনৰ উদ্দেশ্য হৈছে যে প্ৰতিগৰাকী ব্যক্তিক ক'ৰণা ভাইৰাছ সংক্ৰমণৰ পৰা ৰক্ষা কৰা। এই ৰোগৰ কোনো প্ৰতিষেধক আবিষ্কাৰ হোৱা নাই। সেইবাবে সকলোকে এই দিশত সহায়-সহযোগিতা আগবঢ়োৱাৰ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে সকলো ধৰ্মৰ মুৰব্বীসকলে নিজৰ ধৰ্মৰ অনুগামীসকলক ক'ব লাগিব যে ধৰ্মৰ নামত কোনো জনসমাগমৰ যাতে সৃষ্টি নকৰে। সকলোৱে নিজৰ নিজৰ ঘৰত আবদ্ধ থাকি প্ৰাৰ্থনা, নামাজ ইত্যাদি কৰিব লাগিব। তেতিয়াহে এইখন সমাজত ক'ৰণা ভাইৰাছে গা কৰি উঠিব নোৱাৰিব। হিন্দু, মুছলমান, খ্ৰীষ্টান, জৈন, শিখ ইত্যাদি সকলো ধৰ্মৰ মুৰব্বীসকলে নিজ নিজ ধৰ্মৰ অনুগামীসকলক এই কথাবোৰ ভালদৰে বুজাই দিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে বৰাক উপত্যকাৰ লগতে সমগ্ৰ অসমত থকা সংশ্লিষ্ট ধৰ্মৰ অনুগামীসকলক এই বাৰ্তা প্ৰেৰণ কৰাৰ বাবেও আহ্বান জনায়। কোনো ক্ষেত্ৰতে যাতে সামাজিক দূৰত্ব উলংঘা নহয় সেই বিষয়ে সচেষ্ট কৰাৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। নিজৰ লগতে সমাজখন, ৰাজ্যখন, ৰাষ্ট্ৰখন আৰু সমগ্ৰ পৃথিৱীৰ মানৱ জাতিক ৰক্ষা কৰাৰ বাবে এইয়া সময়ৰ আহ্বান বুলি মুখ্যমন্ত্ৰীয়ে কয়। সকলোকে সুৰক্ষিত কৰি ৰখাৰ বাবেই এই পদক্ষেপ মানি চলাটো একান্ত জৰুৰী বুলিও মুখ্যমন্ত্ৰীয়ে কয়। জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলোৱে ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজ দিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বৰ্তমানৰ এই জটিল সন্ধিক্ষণত কোনোৱে যাতে সাম্প্ৰদায়িক মন্তব্য দি উত্তেজনাৰ সৃষ্টি নকৰে, চ'ছিয়েল মিডিয়াত যাতে কোনো আপত্তিজনক মন্তব্য নকৰে, কোনেও যাতে উৰা বাতৰি পৰিৱেশন নকৰে সেই বিষয়ে সচেষ্ট হৈ থাকিবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। বৰ্তমান সময়ত শান্তি, সম্প্ৰীতি অটুত ৰাখি সমগ্ৰ মানৱ সমাজে একগোট হৈ এই অদৃশ্য শত্ৰুৰ বিৰুদ্ধে মাৰ বান্ধি যুঁজ দিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

**পুঃডেঃ / বঃভাঃ**
**৮/৪/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in